# সাহিত্য অকাডেমীৰ গৱেষণা পত্ৰ পাঠ কাৰ্যসূচীলৈ আমন্ত্ৰিত ডিব্ৰুগড়ৰ পংকজ দত্ত



ডিব্ৰুগড়, ২ জুলাই ঃ ভাৰত চৰকাৰৰ অধীনস্থ প্ৰসিদ্ধ প্ৰতিষ্ঠান সাহিত্য অকাডেমীৰ উদ্যোগত পৰিবেশ সাহিত্য বিষয়ক গৱেষণা পত্ৰ পাঠ কাৰ্যসূচীলৈ আমন্ত্ৰিত হৈছে অসমৰ সাম্প্ৰতিক প্ৰজন্মৰ তিনিগৰাকী লেখক। আধুনিক সাহিত্যত বিশেষ গুৰুত্ব লাভ কৰা, ইক'-ক্ৰিটিচিজমৰ চৰ্চা কৰি থকা তিনিগৰাকী লেখক ড০ অৰবিন্দ ৰাজখোৱা, পংকজ কুমাৰ দত্ত আৰু পংকজ গোবিন্দ মেধিয়ে ৫ জুলাইত সাহিত্য অকাডেমীয়ে আয়োজন কৰা অনলাইন অনুষ্ঠানত নিৰ্দিষ্ট বিষয়ত গৱেষণা পত্ৰ পাঠ কৰিব। সাহিত্য অকাডেমীৰ কলকাতাস্থ আঞ্চলিক সচিব দেবেন্দ্ৰ কুমাৰ দেৱেশ, অসমীয়া উপদেষ্টা পৰিষদৰ আহবায়ক ডাঃ ধ্ৰুৱজ্যোতি বৰাই অংশ গ্ৰহণ কৰিবলগীয়া এই কাৰ্যসূচীত 'কী নোট এড্ৰেছ' সম্বোধন কৰিব অসম বিজ্ঞান সমিতিৰ সাধাৰণ সম্পাদক জয়দীপ বৰুৱাই। উল্লেখ্য, অসমীয়া সাহিত্যত প্ৰকৃতি সাহিত্য বিষয়টো নতুন বিষয়। সেই দিশৰ পৰা 'প্ৰকৃতি সচেতনতা আৰু অসমীয়া সাহিত্য' শীৰ্ষক সাহিত্য অকাডেমীৰ এই আয়োজনে অসমীয়া সাহিত্যৰ এই নতুন ধাৰাটোক মান্যতা দিছে। এই গৱেষণা পত্ৰ পাঠ কাৰ্যসূচীত সাহিত্য অকাডেমীৰ ইউটিউব চেনেল, ৱেবকাষ্ট আৰু ফেচবুক পেজযোগে পোনপটীয়াকৈ সম্প্ৰচাৰ হ'ব। উল্লেখ্য যে ডিব্ৰুগড়ৰ সন্তান সাংবাদিক পংকজ দত্তক ডিব্ৰুগড় জিলা সাংবাদিক সন্থা, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবে শুভেচ্ছা জ্ঞাপন কৰিছে।

# সাহিত্য অকাডেমিৰ অনলাইন গৱেষণা-পত্ৰ পাঠ

# অসমৰ তিনি লেখক আমন্ত্ৰিত

গুৱাহাটী, ২ জুলাই ঃ সাহিত্য অকাডেমিৰ উদ্যোগত পৰিৱেশ সাহিত্য বিষয়ক গৱেষণা পত্ৰ পাঠ কাৰ্যসূচীলৈ আমন্ত্ৰিত হৈছে অসমৰ সাম্প্ৰতিক প্ৰজন্মৰ তিনিগৰাকী লেখক। আধুনিক সাহিত্যত বিশেষ গুৰুত্ব লাভ কৰা ইকো-ক্ৰিটিচিজ্‌মৰ চৰ্চা কৰি থকা তিনিগৰাকী লেখক ড° অৰবিন্দ ৰাজখোৱা, পংকজ কুমাৰ দত্ত আৰু পংকজগোবিন্দ মেধিয়ে ৫ জুলাইত সাহিত্য অকাডেমিয়ে আয়োজন কৰা অনলাইন অনুষ্ঠানত নিৰ্দিষ্ট বিষয়ত গৱেষণা পত্ৰ পাঠ কৰিব। সাহিত্য অকাডেমিৰ কলকতাস্থিত আঞ্চলিক সচিব দেৱেন্দ্ৰ কুমাৰ দেৱেশ, অসমীয়া উপদেষ্টা পৰিষদৰ আহ্বায়ক ড° ধ্ৰুৱজ্যোতি বৰাই অংশগ্ৰহণ কৰিবলগীয়া এই কাৰ্যসূচীত 'কী নোট এড্ৰেছ' সম্বোধন কৰিব অসম বিজ্ঞান সমিতিৰ সাধাৰণ সম্পাদক জয়দ্বীপ বৰুৱাই। উল্লেখ্য যে অসমীয়া সাহিত্যত প্ৰকৃতি সাহিত্য বিষয়টো নতুন বিষয়। সেই দিশৰ পৰা 'প্ৰকৃতি সচেতনতা আৰু অসমীয়া সাহিত্য' শীৰ্ষক সাহিত্য অকাডেমিৰ এই আয়োজনে অসমীয়া সাহিত্যৰ এই নতুন ধাৰাটোক মান্যতা দিছে। এই গৱেষণা পত্ৰ পাঠ কাৰ্যসূচী সাহিত্য অকাডেমিৰ ইউটিউব চেনেল, ৱেবকাষ্ট আৰু ফেচবুক পেজযোগে পোনপটীয়াকৈ সম্প্ৰচাৰ হ'ব।

# সাহিত্য অকাডেমীৰ বিশেষ কাৰ্যসূচীলৈ অসমৰ তিনি লেখক

'আমাৰ অসম'ৰ মহানগৰ বাৰ্তা, ২ জুলাই ঃ সাহিত্য অকাডেমীৰ উদ্যোগত 'পৰিৱেশ সাহিত্য' বিষয়ক গৱেষণাপত্ৰ পাঠ কাৰ্যসূচীলৈ আমন্ত্ৰিত হৈছে অসমৰ তিনিজন লেখক। আধুনিক সাহিত্যত বিশেষ গুৰুত্ব লাভ কৰা ইক'-ক্ৰিটিচিজম্‌ৰ চৰ্চা কৰি থকা তিনিজন লেখক ক্ৰমে ড° অৰবিন্দ ৰাজখোৱা, পংকজ কুমাৰ দত্ত আৰু পংকজগোবিন্দ মেধিয়ে ৫ জুলাইত সাহিত্য অকাডেমীয়ে আয়োজন কৰা অনলাইন অনুষ্ঠানত নিৰ্দিষ্ট বিষয়ত গৱেষণা পত্ৰ পাঠ কৰিব। সাহিত্য অকাডেমীৰ কলকতাস্থিত আঞ্চলিক সচিব দেৱেন্দ্ৰ কুমাৰ দেবেশ, অসমীয়া উপদেষ্টা পৰিষদৰ আহ্বায়ক ড° ধ্ৰুৱজ্যোতি বৰাই অংশগ্ৰহণ কৰিবলগীয়া এই কাৰ্যসূচীত 'কী নোট এড্ৰেছ' সম্বোধন কৰিব অসম বিজ্ঞান সমিতিৰ সাধাৰণ সম্পাদক জয়দ্বীপ বৰুৱাই। গৱেষণাপত্ৰ পাঠ কাৰ্যসূচী সাহিত্য অকাডেমীৰ ইউটিউব চেনেল, ৱেবকাষ্ট আৰু ফেচবুক পেজযোগে পোনপটীয়াকৈ সম্প্ৰচাৰ হ'ব।

## সাহিত্য অকাডেমিৰ উদ্যোগত

# প্ৰকৃতি সচেতনতা আৰু অসমীয়া সাহিত্য শীৰ্ষক অনলাইন গৱেষণা-পত্ৰ পাঠ

মহানগৰ বাতৰি সেৱা

**গুৱাহাটী, ২ জুলাই ঃ** ভাৰত চৰকাৰৰ অধীনস্থ সাহিত্য অকাডেমিৰ উদ্যোগত পৰিৱেশ সাহিত্য বিষয়ক গৱেষণা-পত্ৰ পাঠ কাৰ্যসূচীলৈ আমন্ত্ৰিত হৈছে সাম্প্ৰতিক প্ৰজন্মৰ তিনিগৰাকী লেখক। ডঃ অৰবিন্দ ৰাজখোৱা, পংকজ কুমাৰ দত্ত আৰু পংকজ গোৱিন্দ মেধিয়ে পাঁচ জুলাইত সাহিত্য অকাডেমিৰ অনলাইন অনুষ্ঠানত নিৰ্দিষ্ট বিষয়ত গৱেষণা-পত্ৰ পাঠ কৰিব। সাহিত্য অকাডেমিৰ কলকাতাৰ আঞ্চলিক সচিব দেৱেন্দ্ৰ কুমাৰ দেৱেশ, অসমীয়া উপদেষ্টা পৰিষদৰ আহ্বায়ক ডঃ ধ্ৰুৱজ্যোতি বৰাই অংশগ্ৰহণ কৰিবলগীয়া এই কাৰ্যসূচীত 'কী নোট এড্ৰেছ' সম্বোধন কৰিব অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক জয়দীপ বৰুৱাই। 'প্ৰকৃতি সচেতনতা আৰু অসমীয়া সাহিত্য' শীৰ্ষক সাহিত্য অকাডেমিৰ এই আয়োজনে অসমীয়া সাহিত্যৰ এই নতুন ধাৰাটোক মান্যতা দিছে। এই গৱেষণা-পত্ৰ পাঠ কাৰ্যসূচী সাহিত্য অকাডেমিৰ ইউ টিউব চেনেল, ৱেবকাষ্ট আৰু ফেচবুক পেজযোগে পোনপটীয়াকৈ সম্প্ৰচাৰ হ'ব।